ক্ৰীড়া

৫২টা বলত দ্বিশতক বৈভৱৰ! List A-ত দ্ৰুততম শতক-দ্বিশতকৰ অভিলেখ

মাত্ৰ ৫২টা বলত দ্বিশতক অৰ্জন কৰি পুৰুষৰ ‘লিষ্ট এ’ ক্ৰিকেটত বিশ্ব অভিলেখ গঢ়িলে ১৫ বছৰীয়া ভাৰতীয় ক্ৰিকেটাৰ বৈভৱ সূৰ্যবংশীয়ে।

প্ৰকাশ: ২৪ নৱেম্বৰ ২০২৬, আবেলি ৫:২৬ আপডেট: ২৪ নৱেম্বৰ ২০২৬, আবেলি ৫:৪০



Vaibhav Suryavanshi hits fastest men's List A double century in 52 balls

মাত্ৰ ৫২টা বলত দ্বিশতক! ক্ৰিকেট বিশ্বক স্তম্ভিত কৰি List A ক্ৰিকেটত নতুন বিশ্ব অভিলেখ গঢ়িলে ভাৰতৰ ১৫ বছৰীয়া যুৱ ক্ৰিকেটাৰ বৈভৱ সূৰ্যবংশীয়ে। কেৱল দ্বিশতকেই নহয়, একেটা ইনিংছতে দ্ৰুততম শতক আৰু ১৫০ ৰান সম্পূৰ্ণ কৰাৰ অভিলেখো নিজৰ নামত কৰিলে বিস্ময়কৰ প্ৰতিভাগৰাকীয়ে।



মঙলবাৰে কাটাৰৰ ডোহাত অনুষ্ঠিত ACC Rising Stars Asia Cupত UAEৰ বিৰুদ্ধে India Aৰ হৈ এই ঐতিহাসিক ইনিংছ খেলে বৈভৱে UAEৰ নির্ধাৰিত লক্ষ্য অনুসৰণ কৰিবলৈ খেলপথাৰত নমা বৈভৱে আৰম্ভণিৰ পৰাই আক্রমণাত্মক বেটিং কৰে। মাত্র ১৬টা বলত অর্ধশতক সম্পূর্ণ কৰাৰ পিছত ২৮টা বলত শতক অর্জন কৰে তেওঁ। ইয়াৰ পিছত ৩৬টা বলত ১৫০ ৰান আৰু মাত্র ৫২টা বলত দ্বিশতক সম্পূর্ণ কৰি সৃষ্টি কৰে নতুন ইতিহাস।

বৈভৱৰ এই বিস্ফোৰক ইনিংছত আছিল ২৭টা ছয়। আনহাতে, শতক সম্পূর্ণ কৰাৰ সময়ত তেওঁ কোবাইছিল ১৪টা চাৰি আৰু ৪টা ছয়। তেওঁৰ ষ্ট্রাইক ৰেট আছিল ৩৭৫তকৈও অধিক। আক্রমণাত্মক বেটিঙেৰে UAEৰ বলাৰসকলক আৰম্ভণিৰ পৰাই চাপত ৰাখিবলৈ সক্ষম হয় যুৱ বেটাৰগৰাকী।



ইয়াৰ পূৰ্বে List A ক্ৰিকেটত দ্ৰুততম শতকৰ অভিলেখ আছিল অষ্ট্ৰেলিয়াৰ জেক ফ্ৰেজাৰ-মেকগাৰ্কৰ নামত। ২০২৩ চনৰ অক্টোবৰত Marsh Cupত South Australiaৰ হৈ Tasmaniaৰ বিৰুদ্ধে খেলি তেওঁ ২৯টা বলত শতক সম্পূৰ্ণ কৰিছিল। সেই ইনিংছত তেওঁৰ সংগ্ৰহ আছিল ১২৫ ৰান। তাৰ পূৰ্বে ২০১৫ চনত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে দক্ষিণ আফ্ৰিকাৰ এবি ডি ভিলিয়ার্ছে ৩১টা বলত শতক অৰ্জন কৰিছিল। এতিয়া ২৮টা বলত শতক সম্পূৰ্ণ কৰি দুয়োগৰাকীৰ অভিলেখ অতিক্ৰম কৰিলে বৈভৱে।



মাত্ৰ ১৫ বছৰ বয়সতে এনে বিস্ফোৰক ইনিংছ খেলি বৈভৱ সূৰ্যবংশীয়ে ভাৰতীয় ক্ৰিকেটৰ লগতে বিশ্ব ক্ৰিকেটতো বিশেষ চৰ্চা লাভ কৰিছে। একেখন খেলতে শতক, ১৫০ আৰু দ্বিশতকৰ দ্ৰুততম অভিলেখ গঢ়ি তেওঁ নিজৰ অসাধাৰণ বেটিং প্ৰতিভাৰ পৰিচয় দাঙি ধৰিলে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5953/vaibhav-suryavanshi-fastest-list-a-double-century